# মিছন সঞ্চালকৰ কাৰ্য্যালয় ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান (ৰুচা)

## কাহিলীপাৰা,গুৱাহাটী-৭৮১০১৯

Website:www.rusa.assam.gov.inEmail:rusaassam@gmail.com/rusa-assam@assam.gov.in
Telephone no: 0361-3511733


নং ARUSA/PIM/398/2020/146/2117 তাৰিখ ১০-০৫-২০২২

প্ৰেৰকঃ ড° দীপক মজুমদাৰ , আই.এ.এছ
অসম চৰকাৰৰ সচিব,উচ্চ শিক্ষা বিভাগ আৰু
মিছন সঞ্চালক, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান, অসম

প্ৰতিঃ ১. পঞ্জীয়ক, অসমৰ সমূহ বিশ্ববিদ্যালয় সমূহ
২. অধ্যক্ষ / অধ্যক্ষা, অসমৰ সমূহ মহাবিদ্যালয় সমূহ

বিষয়ঃ ৰুচা অসমৰ ই- মেগাজিন – প্ৰজ্ঞা ৰ পঞ্চমটো সংখ্যাৰ বাবে ছাত্ৰ – ছাত্ৰীৰ দ্বাৰা গৱেষণামূলক প্ৰবন্ধ প্ৰকাশৰ আহ্বান।

মহাশয়/ মহাশয়া,

ওপৰত উল্লেখিত বিষয় সাপেক্ষে মই জনাব বিছাৰিছো যে, ৰুচা অসমে ইতিমধ্যে কাৰ্য্যালয়টোৰ ই- মেগাজিন প্ৰজ্ঞাৰ চাৰিওটা সংখ্যাতে স্নাতক অথবা স্নাতকোত্তৰ ছাত্ৰ – ছাত্ৰী সকলে উচ্চ শিক্ষাৰ লগত জড়িত বিষয়ৰ ওপৰত ছুটি প্ৰবন্ধ যুগোতাই আহিছে। এই ই- মেগাজিনৰ জড়িয়তে উচ্চ শিক্ষাৰ ছাত্ৰ- ছাত্ৰীসকলক তেওঁলোকৰ আনুষ্ঠানিক শিক্ষাৰ লগে লগে গৱেষণামূলক মনোভাৱৰ সৃষ্টি কৰাৰ প্ৰয়াস কৰা হৈছে। উক্ত গৱেষণামূলক প্ৰবন্ধৰ বাবে ছাত্ৰ- ছাত্ৰী সকলক উচ্চ শিক্ষাৰ সচিবৰ দ্বাৰা স্বাক্ষৰীত এখনি মানপত্ৰ আৰু লগতে ১৫০০.০০ টকাৰ এককালীন মাননি প্ৰদানৰো ব্যৱস্থা কৰা হৈছে। ৰুচা অসমৰ ই- মেগাজিনত প্ৰকাশ কৰিব পৰা ছাত্ৰ – ছাত্ৰী সকলৰ দ্বাৰা লিখিব লগা গৱেষণা মূলক প্ৰবন্ধ সমূহৰ বৈশিষ্ট্য সমূহ হৈছে-

১. প্ৰবন্ধ সমূহ গৱেষণামূলক হেৰা উচিত।
২. বিষয়বস্তু উচ্চ শিক্ষাৰ লগত জড়িত হ'লে ভাল।
3. অসমীয়া বা ইংৰাজি – এই দুয়োটা ভাষাতে প্ৰস্তুত কৰিব পাৰিব। অসমীয়াৰ ক্ষেত্ৰত ডি.টি.পি. নকৰাকৈয়ো জমা দিব পাৰে।
৪. প্ৰবন্ধ সমূহৰ লগত ছাত্ৰ- ছাত্ৰী সকলৰ অধ্যয়ণৰত অনুষ্ঠানৰ নাম, শ্ৰেণী, ফটো ইত্যাদি ৰুচা অসমৰ ই- মেইল rusaassam@gmail.com ৰ যোগে জমা দিব যাতে এই তথ্যসমূহো প্ৰবন্ধৰ লগত প্ৰকাশ কৰিব পাৰি।
৫. ছুটি প্ৰবন্ধ সমূহৰ আকাৰ অন্তত: ৩ পৃষ্ঠা (A4) হ'ব লাগিব।
৬. প্ৰবন্ধসমূহৰ ছ'ফ্ট কপি জমা দিব লাগিব।

সেই গতিকে আপোনাৰ বিশ্ববিদ্যালয়/ মহাবিদ্যালয়ত অধ্যয়ণৰত অথবা পূৰ্বতে অধ্যয়ণ কৰা ছাত্ৰ- ছাত্ৰীৰ দ্বাৰা তৈয়াৰ কৰা গৱেষণামূলক প্ৰবন্ধ নিম্ন স্বাক্ষৰকাৰীক ওপৰত উল্লেখিত ই- মেইল যোগে জমা দিবলৈ অনুৰোধ জনোৱা হ'ল। ৰুচা অসমৰ ই- মেগাজিন প্ৰজ্ঞাৰ বিষয়ে আৰু তথ্য জানিবলৈ যোগাযোগ কৰিব পাৰিব কাৰ্য্যালয়ৰ ০৩৬১-৩৫১১৭৩৩ নম্বৰত। ৰুচা অসমৰ পূৰ্বৰ ৪ খন ই-মেগাজিনৰ লিংক হৈছে - https://rusaassamemagazine.com । ই- মেগাজিনখনিৰ পঞ্চম সংখ্যাত প্ৰকাশ কৰিবলৈ অহা ৩০ মে' ২০২২ ৰ ভিতৰত জমা দিবলৈ অনুৰোধ জনোৱা হ'ল।

ভৱদীয়

ড° দীপক মজুমদাৰ আই.এ.এছ.
অসম চৰকাৰৰ সচিব,উচ্চ শিক্ষা বিভাগ আৰু
মিছন সঞ্চালক, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান, অসম